# 2024

# ASSAMESE

## ( Honours Elective )

Paper : ASM–HE–6046

## ( অসমীয়া ভাষা-উপভাষা )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। উত্তৰ দিয়া : ১×১০=১০

(ক) 'অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ' গ্ৰন্থখনৰ লেখক কোন?

(খ) "সৰুতি মোৰ আপীটোক গাঁৱৰ মানুহগিলাখানে এনকেইহে কয়।" বাক্যটোৰে কোনটো পাঠৰ আৰম্ভণি ঘটিছে?

(গ) শীলভদ্ৰৰ প্ৰকৃত নাম কি?

(ঘ) 'ঝ' (Jh) ধ্বনিটো কোনটো উপভাষাত পোৱা যায়?

(ঙ) আদ্যাক্ষৰত প্ৰবল শ্বাসাঘাত কোনটো উপভাষাৰ বৈশিষ্ট্য?

(চ) 'সহযাত্ৰী' গল্পটোত কোনটো উপভাষাৰ প্ৰয়োগ কৰা হৈছে?

(ছ) 'পিজিন' কি?

(জ) *Linguistic Survey of India* গ্ৰন্থখনৰ লেখক কোন?

(ঝ) 'হাঁহিচম্পা' গল্পটো কোনখন গল্পপুথিৰ অন্তৰ্গত?

(ঞ) প্ৰথম অসমীয়া সামাজিক নাটকখন কি?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) নাগামিজ ভাষাৰ দুটা বৈশিষ্ট্য লিখা।

(খ) উপভাষা সৃষ্টিৰ দুটা কাৰণ উল্লেখ কৰা।

(গ) দ্বিভাষিত্ব(bilingualism) মানে কি?

(ঘ) ড. বাণীকান্ত কাকতিয়ে অসমীয়া ভাষাক কি কি উপভাষাত ভগাইছে?

(ঙ) পাতিদৰঙীয়া উপভাষাৰ দুটা বৈশিষ্ট্য লিখা।

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) কামৰূপী উপভাষাক ভাষাগত বৈশিষ্ট্যৰ আধাৰত কিদৰে ভগাব পাৰি, আলোচনা কৰা।

(খ) নৃ-গোষ্ঠীয় উপভাষা বুলিলে কি বুজা?





(গ) মান্যভাষা আৰু উপভাষাৰ সম্বন্ধ বিচাৰ কৰা।

(ঘ) অসমীয়া ভাষাৰ উপভাষা সৃষ্টিৰ ৰাজনৈতিক কাৰণ ব্যাখ্যা কৰা।

(ঙ) 'ৰাম-নৱমী' নাটকত উপভাষাৰ প্ৰয়োগ কিদৰে হৈছে, আলোচনা কৰা।

(চ) "বৈজ্ঞানিক দৃষ্টিভংগীৰে চালে উপভাষাৰ মৃত্যু দুৰ্ভাগ্যজনক।" কথাষাৰৰ তাৎপৰ্য বিচাৰ কৰা।

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) উপভাষাৰ প্ৰয়োগে সৃষ্টিশীল সাহিত্যক কিদৰে সমৃদ্ধ কৰিব পাৰে, তোমাৰ পাঠ্যৰ আধাৰত বিচাৰ কৰা।

(খ) গোৱালপৰীয়া উপভাষাৰ ভাষাগত বৈশিষ্ট্য আলোচনা কৰা।

(গ) উপভাষা অধ্যয়নৰ পদ্ধতি আৰু প্ৰয়োজনীয়তাৰ বিষয়ে এটি আলোচনা যুগুত কৰা।

(ঘ) সামাজিক উপভাষা বুলিলে কি বুজা? সামাজিক উপভাষা সৃষ্টিত জাতিগত, ধৰ্মমূলক আৰু লিঙ্গগত পৰিচয়ৰ গুৰুত্ব কেনেধৰণৰ, বিচাৰ কৰা।

(ঙ) নামনি আৰু উজনি অসমৰ ভাষাৰূপৰ পাৰ্থক্যসমূহ বিচাৰ কৰি এটি প্ৰবন্ধ যুগুত কৰা।

(চ) ভাষা, ব্যক্তিভাষা আৰু উপভাষাৰ মাজত থকা সম্পৰ্ক বিচাৰ কৰি আলোচনা প্ৰস্তুত কৰা।

★★★